# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-07-2026
**Time :** 19-10 Hrs

## *Assamese Evening Bulletin*
## HEADLINES

০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অষ্ট্ৰেলিয়া ভ্ৰমণ আৰম্ভ হৈছে।

২। দেশত বৰষুণ ঘাটি হোৱা জিলাৰ সংখ্যা ২৬২ৰ পৰা ১৭৮ লৈ হ্ৰাস পাইছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰাম মোহন নাইডুই আজি দেশৰ গুৰুত্বপূৰ্ণ বিমান বন্দৰসমূহত যাত্ৰী সুবিধা আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰে।

৪। EPFOই অহা ১৫ জুলাইৰ ভিতৰত প্ৰায় ৩৪ কোটি EPF একাউণ্টত ৮ দশমিক ২-৫ শতাংশৰ সুদ জমা কৰাৰ কাম সম্পূৰ্ণ কৰিব।

*আৰু*

৫। ফ্ৰান্স, মৰক্কো, ন'ৰৱে, ইংলেণ্ড, স্পেইন, বেলজিয়াম, আৰ্জেটিনা আৰু ছুইজাৰলেণ্ডে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অষ্ট্ৰেলিয়া ভ্ৰমণ আৰম্ভ হৈছে। দুয়োখন ৰাষ্ট্ৰৰ মাজত সেঁতুবন্ধন কৰা প্ৰৱাসী ভাৰতীয়সকলক গুৰুত্ব দি অৰ্থনৈতিক আৰু কৌশলগত সংহতিৰ সূচনা কৰাই হৈছে এই ভ্ৰমণৰ মূল উদ্দেশ্যে। আকাশবাণীৰ বাতৰিৰ বিভাগৰ সৈতে হোৱা আছুতীয়া কথা বতৰাত মেলবৰ্ণৰ বিশিষ্ট ফাৰ্মাচিষ্ট, স্বাস্থ্যসেৱা কৰ্মী তথা Member of the অৰ্ডাৰ অৱ অষ্ট্ৰেলিয়া সন্মানেৰে বিভূষিত দীপক ছাংভিয়ে কয়, যে ইয়াৰ দ্বাৰা দুয়োখন দেশৰ সম্পৰ্কই এটা পৰিৱৰ্তনশীল নতুন পৰ্যায়ত প্ৰৱেশ কৰিছে। ভাৰত-অষ্ট্ৰেলিয়া অংশীদাৰিত্বৰ গাঁথনিগত কাঠামোত প্ৰৱাসী ভাৰতীয়সকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ছাংভিয়ে উল্লেখ কৰে যে, বৰ্তমান মেলবৰ্ণত এই অঞ্চলটোৰ ভিতৰতে সৰ্বাধিক ভাৰতীয় লোক আছে। প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিয়ে ভাৰতীয় সম্প্ৰদায়ৰ ৰাজহুৱা পৰিচয়ক মৌলিকভাৱে উন্নত কৰিছে।

০০০০০০

দেশৰ বিভিন্ন অংশত যোৱা কিছুদিনত ভাল বৰষুণ হৈছে আৰু ইয়াৰ ফলত বৰষুণ ঘাটি হোৱা জিলাৰ সংখ্যা ২৬২ৰ পৰা ১৭৮ লৈ হ্ৰাস পোৱা বুলি কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি এল নিনোৰ সম্ভাব্য প্ৰভাৱ সম্পৰ্কীয় এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে জুনত স্বাভাৱিকতকৈ ৩৩ শতাংশ কম বৰষুণ হোৱাৰ কথা পোহৰলৈ আহিছিল যদিও জুলাইত বৰষুণ ঘাটিৰ পৰিমাণ ২৪ শতাংশলৈ হ্ৰাস পাইছে।

*-বাইট-*

শ্ৰীচৌহানে কয়, যে কেন্দ্ৰীয় চৰকাৰে মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, গুজৰাট, উত্তৰ প্ৰদেশ, ৰাজস্থান, কৰ্ণাটক, বিহাৰ, ঝাৰখণ্ড, তেলেংগানা, অন্ধ্ৰপ্ৰদেশ, পাঞ্জাব, পশ্চিমবংগ আৰু ওড়িশাৰ পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আহিছে। জুলাইত আৰু বৰষুণ হ'ব বুলি আস্থা প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ ফলত খাৰিফ শস্যৰ ৰোপনৰ প্ৰক্ৰিয়া ত্বৰান্বিত হ'ব। তেওঁ কয়, যে বৰ্তমানলৈকে প্ৰায় ৩৫০ লাখ হেক্টৰ এলেকাত খাৰিফ শস্য ৰোপণ কৰা হৈছে আৰু এই পৰিমাণ যোৱা বছৰৰ একেই সময়ছোৱাৰ তুলনাত প্ৰায় ৯১ লাখ হেক্টৰ কম। শ্ৰীচৌহানে কয়, যে খেতিয়কসকলক বৰষুণ অহাত হোৱা বিলম্বৰ ফলত পৰিব পৰা বিৰূপ প্ৰভাৱ কম কৰাৰ উদ্দেশ্যে গোমধান, বাজৰা আৰু মগুৰ দৰে কম পানীৰ আৱশ্যক হোৱা আৰু কম দিনতে চপাব পৰা শস্যৰ খেতি কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰাম মোহন নাইডুই আজি দেশৰ গুৰুত্বপূৰ্ণ বিমান বন্দৰসমূহত যাত্ৰী সুবিধা, সুৰক্ষা ব্যৱস্থা আৰু ইমিগ্ৰেছন অৰ্থাৎ আপ্ৰৱাসন প্ৰণালীৰ পৰ্যালোচনা কৰে। বৈঠকত শ্ৰীশ্বাহে সকলো বিমান বন্দৰত স্বয়ংক্ৰিয় এক্স-ৰে ট্ৰে ৰিটাৰ্ণ প্ৰণালী স্থাপন কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ কয়, যে নতুন বিমান বন্দৰসমূহত এই প্ৰণালী স্থাপনৰ বাবে যথোচিত মান নিৰ্ধাৰণ কৰা উচিত। তেওঁ লগতে যাত্ৰী আহ-যাহ আৰু অসামৰিক বিমান পৰিবৰণ সুৰক্ষা ব্যুৰ'ৰ সুৰক্ষা মান অনুযায়ী বৰ্তমান উন্নয়নৰ কাম চলি থকা ২১টা আৰু বাকী থকা ৪১টা বিমান বন্দৰক অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। শ্ৰীশ্বাহে লগতে ১৬টা গুৰুত্বপূৰ্ণ বিমান বন্দৰত উপলব্ধ বেগেজ ড্ৰ'প সুবিধা অধিক যাত্ৰী আহ-যাহ কৰা অন্য বিমান বন্দৰলৈ সম্প্ৰসাৰিত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ কাইলৈ ওড়িশাৰ ভুৱনেশ্বৰলৈ যাব। এই ভ্ৰমণ কালত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে ভুৱনেশ্বৰস্থিত ওড়িশা কৃষি আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ মুকলি সমুদ্ৰৰ মৎস্য পালনৰ বাবে প্ৰাধিকৰণ পত্ৰ জাৰি কৰা শুভাৰম্ভণি কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ লগতে ওড়িশাৰ গভীৰ সমুদ্ৰত মাছ ধৰাৰ নথিও মুকলি কৰিব। পাছত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে ভুৱনেশ্বৰত ৰাষ্ট্ৰীয় বিজ্ঞান, শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ পঞ্চদশ সমাৱৰ্তন সমাৰোহত ভাগ ল'ব।

০০০০০০

কৰ্মচাৰী ভৱিষ্যনিধি সংস্থা EPFO ই অহা ১৫ জুলাইৰ ভিতৰত প্ৰায় ৩৪ কোটি EPF একাউণ্টত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৮ দশমিক ২-৫ শতাংশৰ সুদ জমা কৰাৰ কাম সম্পূৰ্ণ কৰিব। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড° মনসুখ মাণ্ডভিয়াই প্ৰকাশ কৰা মতে, নতুন কেন্দ্ৰীভূত তথ্য প্ৰযুক্তি আধাৰিত সেৱা ব্যৱস্থাৰে উপভোক্তাৰ একাউণ্টত ১ লাখ ৪৪ হাজাৰ কোটিৰো অধিক টকা জমা কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে কয়, যে কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাই ইয়াৰ সকলো উপভোক্তাৰ তথ্য পুৰণি বিকেন্দ্ৰীভূত পৰিকাঠামোৰ পৰা নতুন কেন্দ্ৰীভূত তথ্য ভাণ্ডাৰলৈ স্থানান্তৰিত কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। নতুন ব্যৱস্থাৰ অধীনত কৰ্মচাৰী ভৱিষ্যনিধিৰ সদস্যসকলে একীকৃত সদস্য প'ৰ্টেলৰ সুবিধা লাভ কৰিব আৰু তেওঁলোকে একেঠাইতে সদস্য পদৰ সবিশেষ, ভৱিষ্যনিধিত জমা থকা ধনৰ পৰিমাণ, দাবীৰ স্থিতি, পেঞ্চন সেৱা তথ্য আৰু লাভ কৰিবলগীয়া উপকাৰৰ বিষয়ে জানিব পাৰিব। মন্ত্ৰীগৰাকীয়ে কয়, যে নতুন ব্যৱস্থাত দাবীৰ স্বয়ংক্ৰিয় প্ৰাক্ সত্যাসত্য নিৰূপণৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাৰ

অধীনত ধন উলিওৱাৰ অনুৰোধ কৰ্মচাৰী ভৱিষ্যনিধি কাৰ্যালয় পোৱাৰ পূৰ্বেই প্ৰণালীয়ে যোগ্যতা নিৰূপণ আৰু কৰ্মচাৰীৰ পৰিচয় নিশ্চিত কৰি সদস্যসকলক অৱগত কৰিব। এই ব্যৱস্থাই দাবী প্ৰত্যাখানৰ ঘটনা হ্ৰাস কৰিব আৰু প্ৰথমবাৰে দাবী গ্ৰহণৰ হাৰ বৃদ্ধিত সহায় কৰিব বুলি আশা কৰা হৈছে।

oooooo

ইৰাণৰ সৈতে সংঘাতৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে স্বাক্ষৰিত বুজাবুজিৰ চুক্তি অন্ত পৰা বুলি উল্লেখ কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে কয়, যে তেওঁ তেহৰানৰ সৈতে জড়িত হ'বলৈ বিচৰা নাছিল। টুৰ্কীৰ ৰাজধানী আংকাৰাত অনুষ্ঠিত নাটোৰ শীৰ্ষ সন্মিলনৰ পূৰ্বে সংবাদ মাধ্যমৰ আগত ট্ৰাম্পে এই বক্তব্য প্ৰকাশ কৰে। ইফালে, ইৰাণে এই বিষয়ে পোনপটীয়াকৈ কোনো কথা প্ৰকাশ কৰা নাই। উল্লেখযোগ্য যে, ৱাশ্বিংটন আৰু তেহৰানৰ মাজত স্বাক্ষৰিত অন্তৰৰ্তীকালীন যুদ্ধ বিৰতী চুক্তিখন প্ৰথম পৰ্যায়ত ৬০ দিনৰ বাবে আছিল যদিও কাটাৰত পৰোক্ষ আলোচনাৰ কোনো অগ্ৰগতিৰ ইংগিত বহন নকৰাকৈ সমাপ্ত হয় আৰু কালি আমেৰিকাৰ সেনাই ইৰাণৰ বিৰুদ্ধে পুনৰ আক্ৰমণ আৰম্ভ কৰে। ইয়াৰ পূৰ্বে ইৰাণে হৰমুজগান প্ৰদেশ আৰু বন্দৰ চহৰ মাহশ্বহৰত আমেৰিকাৰ আক্ৰমণৰ পাছতেই আমেৰিকাৰ সামৰিক ঘাটিসমূহত প্ৰতিশোধমূলক আক্ৰমণ চলাইছিল। ইৰাণৰ সংবাদ মাধ্যমৰ অনুসৰি ইছলামিক ৰিভলেচনাৰী গাৰ্ড ক'ৰৰ নৌ সেনা আৰু বায়ুসেনা বাহিনীয়ে যৌথভাৱে ক্ষেপনাস্ত্ৰ আৰু ড্ৰোনৰ আক্ৰমণৰ জৰিয়তে আমেৰিকাৰ ৮৫টা সামৰিক ঘাটি লক্ষ্য কৰি লৈছিল। আমেৰিকাই শেহতীয়াকৈ হৰমুজ প্ৰণালীৰ মাজেৰে পাৰ হৈ যোৱা বাণিজ্যিক জাহাজত আক্ৰমণ কৰাৰ বাবে ইৰাণৰ ৮০টাকৈ স্থানত বিমাণ আক্ৰমণ চলায়। আমেৰিকাৰ চেন্ট্ৰেল কামাণ্ডাৰ মতে এই আক্ৰমণত ইৰাণৰ বায়ু প্ৰতিৰক্ষা প্ৰণালী, নিয়ন্ত্ৰণ কক্ষ, ৰাডাৰ প্ৰণালীকে ধৰি হৰমুজ প্ৰণালীৰ আশে পাশে আই আৰ জি চিৰ ৬০টা ঘাটি লক্ষ্য কৰি লোৱা হৈছিল। আমেৰিকাৰ মতে, ইৰাণৰ আন্তঃৰাষ্ট্ৰীয় জাহাজ চলাচল ব্যৱস্থা দুৰ্বল কৰাই আছিল এই আক্ৰমণৰ মূল লক্ষ্য। ইয়াৰ উপৰিও তেহৰানে অসামৰিক বাণিজ্যিক জাহাজক আক্ৰমণৰ লক্ষ্য কৰি লোৱা বুলি আমেৰিকাই অভিযোগ উত্থাপন কৰিছে।

oooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি নতুন দিল্লীত আফগানিস্তাৰ কৃষি, জলসিঞ্চন আৰু পশুধন মন্ত্ৰী মৌলবী আতাউল্লাহ ওমাৰিক সাক্ষাৎ কৰে। বৈঠকৰ অন্তত মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম যোগে কয়, যে আলোচনাত আফগান জনসাধাৰণৰ কল্যাণ আৰু উন্নয়নৰ বৰ্তমানৰ সহযোগিতাকে ধৰি ভাৰত-আফগানিস্তান দ্বিপাক্ষিক সম্পৰ্কক বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰা হয়।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ. জয়শংকৰে আজি কুৱেইটৰ যুৱৰাজ শ্বেইখ ছবাহ অল খালিদ অল ছবাহক সাক্ষাৎ কৰে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম যোগে প্ৰকাশ কৰা মতে, বৈঠকত তেওঁ যুৱৰাজগৰাকীক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ শুভেচ্ছা জ্ঞাপন কৰে। ডং জয়শংকৰে লগতে ভাৰত আৰু কুৱেইটৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাক আগুৱাই নিয়াৰ প্ৰতি প্ৰকাশ কৰা প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে যুৱৰাজগৰাকীক শলাগ লয়। মন্ত্ৰীগৰাকীয়ে লগতে উপ সাগৰীয় অঞ্চলৰ ঘটনাক্ৰম সন্দৰ্ভত নিজৰ মতামত প্ৰকাশ কৰাৰ বাবে তেওঁক ধন্যবাদ জনায়।

ooooo

ফ্ৰান্স, মৰক্কো, ন'ৰৱে, ইংলেণ্ড, স্পেইন, বেলজিয়াম, আৰ্জেটিনা আৰু ছুইজাৰলেণ্ডে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ফ্ৰান্স শুকুৰবাৰে হ'বলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ

ফাইনেলত মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ডেৰ বজাত আৰম্ভ হ'ব। স্পেইন শনিবাৰে নিশা চাৰে ১২ বজাত হ'বলগীয়া দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত বেলজিয়ামৰ সন্মুখীন হ'ব। একেদৰে, প্ৰথমবাৰৰ বাবে বিশ্বকাপৰ কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰা ন'ৰৱে অহা দেওবাৰে  ইংলেণ্ডৰ আৰু আৰ্জেণ্টিনা, ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

**সমাপ্ত**